# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 10-10 -2025

**Time :** 17-15 HRS

***Assamese Evening Bulletin***

--------------------

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰে। পুৱা চাৰে দহ বজাৰ লগে লগে কেইবাটাও ৱেবছাইটত ফলাফল ঘোষণা কৰা হয়। ফলাফল ঘোষণাৰ পূৰ্বে তৃতীয় বৰ্গৰ পদসমূহৰ বাবে গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। আয়োগৰ অধ্যক্ষ তথা ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে সাংবাদিকক সম্বোধন কৰি কয়, যে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰ মাজেৰে লিখিত পৰীক্ষা আৰু দক্ষতা পৰীক্ষাৰ অন্তত আজি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ ফলাফল ঘোষণা কৰা হৈছে।

বাইট ঃ অজয় তিৱাৰী

অধ্যক্ষ তিৱাৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰক ৫০ টা বিভাগে নিজ নিজ বিভাগৰ অধীনত খালী থকা পদৰ তালিকা আয়োগলৈ প্ৰেৰণ কৰিছিল। বিভাগসমূহৰ পৰা লাভ কৰা তথ্যৰ আধাৰতে আয়োগে খালী থকা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। আজি ফলাফল ঘোষণাৰ পিছত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগতে নিযুক্তি লাভ কৰিব। ইয়াৰ ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা, বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো আজি ঘোষণা কৰা হয়। এই সন্দৰ্ভত অধ্যক্ষ তিৱাৰীয়ে কয় যে ফলাফল ঘোষণা কৰা ৬২৫ টা পদৰ ভিতৰত ২০৩ টা পদ অসম আৰক্ষীৰ উপ পৰিদৰ্শক, এটা অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ সহকাৰী উপ নিয়ন্ত্ৰক পদ আৰু ১৬৪ টা অসম কমাণ্ডো বেটেলিয়নৰ কণিষ্ঠবল পদ। বাকী থকা ৫ হাজাৰ ৬১৪ টা কণিষ্টবল পদৰ ফলাফল কাইলৈ পুৱা চাৰে এঘাৰ বজাত ঘোষণা কৰা হ'ব বুলিও ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। একেখন সংবাদমেলতে অধ্যক্ষ তিৱাৰীয়ে ১৫ অক্টোবৰত চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ তিৰোভাব তিথি আজি সত্ৰখনত কীৰ্তন মহোৎসৱৰূপে উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে নিয়মীয়া প্ৰসংগৰ লগতে নৈমিত্তিক প্ৰসংগ হিচাপে ঘোষা কীৰ্তন, গায়ন-বায়ন আদি পৰিৱেশন কৰা হয়। বিয়লি সত্ৰখনৰ অধীনত নহাটীৰ ভকতসকলে পৰম্পৰাগতভাৱে কৰভাৰ প্ৰদান কৰে। উল্লেখযোগ্য যে বৰপেটা সত্ৰ যি নীতি-নীয়মৰ মাজেৰে পৰিচালিত হৈ আহিছে, সেই পৰম্পাৰ মথুৰা দাস বুঢ়া আতাই আৰম্ভ কৰিছিল। তদুপৰি বৰপেটাত হাটীয়াৰ ব্যৱস্থা আৰু হাটীসমূহত বেংক ব্যৱস্থা প্ৰৱৰ্তন কৰি সত্ৰ নগৰীখন সমাজ ব্যৱস্থা আৰ্থিকভাৱে সৱল কৰি তোলাৰ নীতিও প্ৰৱৰ্তন কৰিছে। মথুৰা দাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা সত্ৰখনত যথেষ্ট লোকৰ সমাগম হয়।

০০০০০

চানমাৰিৰ উৰণ সেতুৰ মেৰামতি সংক্ৰান্তীয় কামৰ বাবে গুৱাহাটী কমাৰ্চ কলেজৰ পৰা চানমাৰি ট্ৰেফিক পইণ্টলৈ অহা সকলো যান-বাহনৰ চলাচল অহা ১৩, ১৫ আৰু ১৭ অক্টোবৰত নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈ

বন্ধ থাকিব। নিউ গুৱাহাটী ক্ষেত্ৰীয় পথ সংমণ্ডলৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ সূত্ৰই এখন ৰাজহুৱা জাননীৰ জৰিয়তে এই কথা ঘোষণা কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি বন্ধ থাকিবলগীয়া পথসমূহৰ বিকল্প হিচাপে ৰাজগড়-পূব শৰণীয়া পথ, এম টি ৰোড-বামুণীমৈদাম ৰে'লৰে ক'লনী ৰোড, মঠঘৰীয়া-নুনমাটি পথ, কৃষ্ণনগৰ-মিলনপুৰ পথ জনসাধাৰণে যাতায়তৰ বাবে ব্যৱহাৰ কৰিব পাৰিব।

ooooo

আমিনগাঁৱত চলি থকা ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ দলীয় শাখাৰ আজি হোৱা প্ৰথমখন চেমিফাইনেলত ইণ্ডোনেছিয়াই ভাৰতকৰ পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দলীয় শাখাৰ ফাইনেল খেলখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতে প্ৰথমবাৰৰ বাবে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ দলীয় শাখাৰ চেমিফাইনেলত প্ৰৱেশ কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত